SET-2 website

**SAMPLE QUESTION PAPER**
**CLASS-XII**
**SUBJECT : ASSAMESE (CODE NO. 114)**

Time : 3 hours — Full Marks : 100

Section A : Grammar
Section B : Composition & Writing
Section C : Literature

## SECTION-A

১। (ক) এটা বাক্যত উত্তৰ লিখা - ১ × ৮ = ৮

(i) ক্ৰিয়াপদ কাক বোলে?

(ii) যোজক অব্যয় পদৰ এটা উদাহৰণ দিয়া।

(iii) প্ৰশ্নবোধক অব্যয় পদৰ এটা উদাহৰণ দিয়া।

(iv) সকৰ্মক ক্ৰিয়া কাক বোলে?

(v) অকৰ্মক ক্ৰিয়াৰ এটা উদাহৰণ দিয়া।

(vi) সম্বোধন বোধক অব্যয়ৰ উদাহৰণ দিয়া।

(vii) সমাপিকা ক্ৰিয়াৰ এটা উদাহৰণ দিয়া।

(viii) আনুসংগিক অব্যয় পদৰ এটা উদাহৰণ দিয়া।

(খ) চাৰিটা অনুৰূপ শব্দৰ উদাহৰণ দিয়া। ১ × ৪ = ৪

(গ) তলত দিয়া শব্দবোৰত কি কাৰণে 'ষ' হৈছে লিখা। ১ × ৩ = ৩

কৃষক, কষ্ট, নিষেধ

(ঘ) (i) সূত্ৰ লিখা - দ্বিগু সমাস, দ্বন্দ্ব সমাস, কৰ্মধাৰয় সমায়, বহুব্ৰীহি সমাস ১ × ৪ = ৪

(ii) তলত দিয়া শব্দকেইটাত কি সমাস যোগ হৈছে লিখা। ১ × ৪ = ৪

দিগম্বৰ, পিতল চকু, মাহ-চাউল, দোমাহী

(ঙ) প্ৰথমা আৰু তৃতীয়া শব্দ বিভক্তিৰ চিনকেইটা লিখা। ১ × ২ = ২

(চ) তলত দিয়া শব্দবোৰ বহুবচনলৈ পৰিবৰ্তন কৰা (যিকোনো দুটা) ১ × ২ = ৪

ছোৱালী, শিক্ষক, চৰাই, গৰু

(ছ) এটা শব্দত প্ৰকাশ কৰা। ১ × ৪ = ৪

(i) খাবলৈ অনা কলপুলি

(ii) উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰা মানুহ

(iii) যি অতি গৰমো নহয়, শীতলো নহয়

(iv) আনৰ ভাল দেখিব নোৱাৰা মানুহ

জ) বাক্য সাজা - চকুৰ মণি, আঁঠু কাঢ়, গাই বাই চা, ঘৰ জোঁৱাই ১ × ৪ = ৪

## SECTION-B

২। ভাৱ সম্প্ৰসাৰণ কৰা - ৫

স্বদেশ আৰু স্ব-জাতিৰ উন্নতিৰ মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।

৩। তলত দিয়া যিকোনো এটাৰ বিষয়ে ৰচনা লিখা। ১০

তোমাৰ জীৱনৰ লক্ষ্য

বা

তোমাৰ প্ৰিয় গ্ৰন্থ

## SECTION-C

৪। তলৰ যিকোনো এছোৱাৰ তাৎপৰ্য ব্যাখ্যা কৰা। ৪

(ক) কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ।

(খ) নৱযুগৰ আৰম্ভণি অসমীয়াৰ পক্ষে গৌৰৱময় কৰি তোলাৰ কাৰণে আনন্দৰামে সদায় পূজা পাব।

৫। প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় সাধনত আনন্দৰাম বৰুৱাৰ স্থান নিৰ্ণয় কৰা। ৬

নাইবা

মিলাৰামে কি কি কাৰণত আত্মজীৱনী লিখিবলৈ লৈছিল? তেওঁৰ উপৰি পুৰুষৰ নাম কি? তেওঁ কেতিয়া কাৰ সতে ক'ৰ পৰা অসমলৈ আহিছিল লিখা।

৬। এশাৰীত উত্তৰ লিখা। ১ × ৪ = ৪

(i) অসমীয়া কথাছবিৰ জনক কোন?

(ii) দেৱতা আৰু অসুৰসকল কি কাৰণে সমুদ্ৰ মন্থন কৰিছিল?

(iii) 'মিলাৰামৰ আত্মজীৱনী' নামৰ পাঠটি বেজবৰুৱাৰ কোনখন গ্ৰন্থৰ অন্তৰ্ভুক্ত?

(iv) আনন্দৰাম বৰুৱাৰ ক'ত জন্ম হৈছিল?

৭। চমু উত্তৰ লিখা। ২ × ৩ = ৬

(i) কোলেৰিজ কোন আছিল? তেওঁৰ জনপ্ৰিয় বেলাডটিৰ নাম লিখা।

(ii) মিলাৰামৰ পিতৃৰ পৰিচয় দিয়া।

(iii) অসমীয়া কথাছবিৰ দুগৰাকী পৰিচালকৰ নাম লিখা।

৮। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (এছোৱাৰ) ৪

(ক) অভিনৰ এক জীৱনৰ ৰূপ
পুষ্পিত কৰি তুলিবলে'।
আজি মানৱৰ জনজীৱনৰ
সংহত অভ্যুত্থান;

(খ) চিতাগ্নি হোমাগ্নি হ'ব
সমীৰণ মলয় চন্দন
সিদিনা সাৰ্থক হ'ব
পূৰ্ণ অৰ্ঘ্য, পূৰ্ণ ই জীৱন।

৯। 'আনন্দে গোবিন্দ বায় বৃন্দাবনে বেণু' শীৰ্ষক বৰগীতটোৰ মাজেৰে কি ক'বলৈ বিচৰা হৈছে? ৬

অথবা

'আঘোণৰ কুঁৱলী'ত এহাতে প্ৰেমৰ চিত্ৰ আৰু আনহাতে কবিৰ অন্তৰৰ বিষাদবোৰ কেনেদৰে প্ৰকাশ পাইছে চমুকৈ আলোচনা কৰা।

১০। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা। ২ × ৩ = ৬

(ক) কবিয়ে কাৰ উদ্দেশ্য শেষ অৰ্ঘ্য ৰূপে কি অৰ্পণ কৰিব বিচাৰিছে?
(খ) কেশৱ মহন্তই লিখা দুখন গ্ৰন্থৰ নাম লিখা।
(গ) গৰু চৰাবলৈ যাওঁতে শ্ৰীকৃষ্ণই লগত কি কি বস্তু লৈ গৈছিল?

১১। তলৰ প্ৰশ্নবোৰৰ যথাযথ উত্তৰ লিখা। ১ × ৪ = ৪

(ক) কবি মহন্তৰ মতে আঘোণৰ বাটটো কিহেৰে ঢকা?
(খ) জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে লিখা এখন নাটকৰ নাম লিখা।
(গ) কবিয়ে কাৰ উদ্দেশ্যে শেষ অৰ্ঘ্য আগবঢ়াইছে?
(ঘ) অৰুণ পঙ্কজ মানে কি?

১২। তলৰ যিকোনো তিনিটোৰ প্ৰশ্নৰ উত্তৰ লিখা। ২ × ৩ = ৬

(ক) 'নৈতিক মূল্যবোধ' কি চমুকৈ বুজাই লিখা।
(খ) আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে মূল্যবোধ কেইটা আৰু কি কি?
(গ) সহজ অৰ্থত মূল্যবোধ মানে কি?
(ঘ) নন্দনতাত্ত্বিক মূল্যবোধ কি?

১৩। চিৰন্তন মূল্যবোধ সম্পৰ্কে চমুকৈ বুজাই লিখা। ৪

অথবা

মূল্যবোধ সম্পৰ্কে তোমাৰ কি ধাৰণা তাক চমুকৈ ব্যক্ত কৰা।